ষষ্ঠ অধ্যায়

# সমাজ আৰু সামাজিক বৈশিষ্ট্য

**প্ৰয়োজনীয় তথ্য**

প্ৰাচীন কালৰে পৰা প্ৰব্ৰজনৰ যোগেদি জাতি-জনজাতিসমূহৰ অসমলৈ আগমন ঘটিছে। বিভিন্ন জাতি আৰু জনজাতিৰ সংমিশ্ৰণৰ দ্বাৰা এক অনবদ্য সংস্কৃতি অসমত সৃষ্টি হৈছিল। উৎকৰ্ষ সাধন হৈছিল সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যৰ।

## সমাজ গঠন ঃ জাতি আৰু জনগোষ্ঠীয় সমাজ ব্যৱস্থা

অসমৰ জাতি-জনজাতিসমূহলৈ লক্ষ্য কৰিলেই অনুমান কৰিব পাৰি যে অতি প্ৰাচীন কালৰে পৰাই এই ভূ-খণ্ডত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অতি আধুনিক সংস্কৃতিৰ সমাজৰপৰা আৰম্ভ কৰি প্ৰাচীন জনজাতীয় সংস্কৃতিৰ সমাজলৈকে — সকলো শ্ৰেণীৰ লোক বসবাস কৰি আছে। সেয়েহে এই গোটেই উত্তৰ-পূৰ্বাঞ্চলটোকে এটা 'নৃ-তাত্ত্বিক যাদুঘৰ' বুলি কোৱা হয়। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক বাদ দি সেই কাৰণেই অসমৰ জনগোষ্ঠীসমূহৰ কথা সুকীয়াকৈ আলোচনা কৰিব নোৱাৰি।

বিভিন্ন জনগোষ্ঠীসমূহৰ ইতিহাস অধ্যয়ন কৰাটো বিশেষ কিছুমান কাৰণবশতঃ সহজ কাম নহয়। এই অসুবিধাসমূহ মূলতঃ ইয়াৰ ইতিহাসৰ সমলকেন্দ্ৰিক। তেওঁলোকৰ বহুতৰে কোনো লিখিত সাহিত্যও নাই। বিশিষ্ট নৃতত্ত্ববিদ James C.Scottএ উল্লেখ কৰিছে যে দক্ষিণ-পূব এছিয়াৰ পাহাৰীয়া জনজাতিসমূহৰ কোনো লিখিত সাহিত্য নাই যদিও তেওঁলোকৰ মৌখিক পৰম্পৰা বৰ সবল। সেয়ে এই সকল লোকৰ ইতিহাস অধ্যয়ন মূলতঃ তেওঁলোকৰ মৌখিক পৰম্পৰাৰ ভিত্তিতেই কৰিব লগা হয়। প্ৰত্নপ্ৰস্তৰ যুগ বা তাৰ পিছৰ যুগৰ পতিত হৈ থকা কোনো জীৱাশ্ম বা নৰকংকাল এতিয়াও ইয়াত আৱিষ্কৃত হোৱা নাই। ফলস্বৰূপে, কোন জনগোষ্ঠীৰ বা কোন শ্ৰেণীৰ লোক পোনপ্ৰথমে এই অঞ্চললৈ আহিছিল তাক সঠিককৈ ক'ব নোৱাৰি। তথাপি বৰ্তমান অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো মানুহেই যে অন্য ঠাইৰপৰা আহি ইয়াত বসবাস কৰিছেহি সিও সঠিক ধাৰণা নহয়। ইয়াৰ জনগোষ্ঠীসমূহৰ ভিতৰত আদিম থলুৱা প্ৰজাতিও আছে। জনগোষ্ঠীয় আৰু ভাষিক-সাংস্কৃতিক পাৰিপাৰ্শ্বিকতালৈ চালে দেখা যায় যে তেওঁলোক চুবুৰীয়া তিব্বত, চীন বা ব্ৰহ্মদেশৰ ফালৰপৰা অহা মংগোলীয় গোষ্ঠীৰ লোকৰ অংশবিশেষহে।

ভৌগোলিকভাৱে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলটোৱেই এক গুৰুত্বপূৰ্ণ জন-প্ৰব্ৰজনৰ পথত অৱস্থিত। গতিকে দক্ষিণ-পূব এছিয়া, দক্ষিণৰ সাগৰীয় ঠাইসমূহ আৰু ভাৰতৰ অন্যান্য ঠাইৰপৰা যুগে যুগে ইয়ালৈ জন-প্ৰব্ৰজন হৈ আহিছে। সম্ভৱতঃ তিনি বা চাৰিটামান প্ৰৱেশ পথেদি এনে জন-প্ৰব্ৰজন সম্ভৱ হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে। উত্তৰৰ পৰ্বতমালাৰ মাজত থকা গিৰিপথসমূহেদি তিব্বত, নেপাল, ভূটান আৰু চীনদেশৰ লগত অতীত কালৰ পৰাই এই অঞ্চলৰ যোগাযোগ থকাৰ প্ৰমাণ পোৱা যায়। মিন্‌হাজউদ্দিন ছিৰাজৰ 'তাবাকাৎ-ই-নাছিৰী' নামৰ গ্ৰন্থত কামৰূপ, দৰং, গোৱালপাৰা আৰু উত্তৰ বংগৰ লগত তিব্বত আৰু অন্যান্য চুবুৰীয়া দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ যোগাযোগ ৰাখিব পৰা ৩৫ টা গিৰিপথ থকাৰ উল্লেখ পোৱা যায়। আকৌ অসম আৰু ব্ৰহ্মদেশৰ মাজৰ পৰ্বতৰাশিৰ মাজেদিও, বিশেষকৈ পাটকাই পৰ্বতৰ গিৰিপথেদি উত্তৰ-পূৰ্বাঞ্চলৰ লগত ব্ৰহ্মদেশৰ যোগাযোগ আছিল। এই

গিৰিপথবিলাকেদিয়েই মংগোলীয় জনগোষ্ঠীৰ তিব্বত-বৰ্মী লোকসকলৰ প্ৰব্ৰজন হৈছিল। উল্লেখযোগ্য যে, অসম-ব্ৰহ্ম (বৰ্তমান ব্ৰহ্মদেশৰ নাম ম্যানমাৰ) আৰু মণিপুৰ বা নগা ৰাজ্যৰ সীমান্তৰে এতিয়াও জন-সংশ্লেষণ আৰু জন-প্ৰব্ৰজন হৈ থকা দেখা যায়। অৱশ্যে এনে জন-প্ৰব্ৰজন বা সংশ্লেষণ নিতান্তই সমগোত্ৰীয় জনগোষ্ঠীসমূহৰ মাজত সামাজিক সম্পৰ্ক ৰক্ষাৰ কাৰণতে মূলতঃ চলি থাকে। উদাহৰণস্বৰূপে, অসম-অৰুণাচলৰ ভিতৰত থকা চিংফৌ জনজাতিসকললৈকে আঙুলিয়াব পাৰি। তেওঁলোক ভাৰত আৰু ম্যানমাৰৰ সীমান্তৰ দুয়োফালে বসবাস কৰি আছে। দ্বিতীয়বিধ পথ আছিল ব্ৰহ্মপুত্ৰ আৰু গংগা উপত্যকাইদি। এই দুই নদীৰ জলৰাশিয়ে যুগ যুগ ধৰি ভাৰতৰ অন্যান্য ঠাইৰ লগত উত্তৰ-পূব ভাৰতৰ যোগাযোগ ৰক্ষা কৰি আহিছে। এই পথেৰেই আৰ্যভাষীসকলৰ অসমত প্ৰৱেশ ঘটিছিল। তৃতীয় পথটো সাগৰীয় পথ। দক্ষিণ-পূব এছিয়াৰ দেশসমূহ, দক্ষিণ ভাৰত আৰু সাগৰীয় স্থলভাগৰপৰা বহু লোক বংগোপসাগৰেদি আহি এই অঞ্চলত প্ৰৱেশ কৰিছিলহি। এই পথেদি প্ৰধানকৈ দ্ৰাবিড় আৰু নেগ্ৰিট' লোকসকলৰ প্ৰব্ৰজন ঘটিছিল।

ওপৰৰ আলোচনাৰপৰা দেখা যায় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসীসকল বিভিন্ন গোষ্ঠীপ্ৰসূত লোক। তাৰ ভিতৰত মংগোলীয় গোষ্ঠীৰ ইন্দু-চীন শাখাৰ তিব্বত-বৰ্মীসকল, দ্ৰাবিড়, নেগ্ৰিট', অষ্ট্ৰ-এছিয়াটিক আৰু আৰ্যভাষীসকল প্ৰধান। এইসকল প্ৰব্ৰজনকাৰীৰ ভিতৰত অষ্ট্ৰিক-ভাষী খাচি চিন্তেংসকলেই প্ৰথম ফৈদৰ প্ৰৱেশকাৰী বুলি পণ্ডিতসকলে ধাৰণা কৰে।

**অষ্ট্ৰ'-এছিয়াটিক খাচি-চিন্তেংসকল ঃ** মনখ্মাৰ ভাষা কোৱা খাচি-চিন্তেংসকলৰ আদি বাসস্থান আছিল দক্ষিণ এছিয়া আৰু ভাৰতৰ উপদ্বীপ অঞ্চলত। প্ৰশান্ত মহাসাগৰীয় ফিলিপাইন অঞ্চলৰপৰাও এইসকল লোকৰ কিছু অংশ অহা বুলি পণ্ডিতসকলে অনুমান কৰে। এসময়ত এই লোকসকলে উত্তৰ-পূৰ্বাঞ্চলৰ এক বিস্তৃত অঞ্চলত বসবাস কৰি থকাৰ প্ৰমাণ নৱ-প্ৰস্তৰ যুগৰ কিছুমান আৱিষ্কৃত সমলৰপৰা পোৱা গৈছে। নগা আৰু মিকিৰ (কাৰ্বি) জনজাতিৰ কোনো কোনো শাখা এই অষ্ট্ৰ-এছিয়াটিকসকলৰে বংশধৰ বুলি বহুতো নৃ-তত্ত্ববিদে ধাৰণা কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতিসকলৰ মাজত প্ৰচলন থকা পাহাৰৰ এঢলীয়া অঞ্চলত খেতি কৰা প্ৰথা, গৰু বা মেথোন পোহা, স্মৃতিচিহ্ন ৰাখিবলৈ কটা শিলৰ খুঁটা ব্যৱহাৰ কৰা (Megalith) আদি প্ৰথা এওঁলোকৰেই অৱদান। অষ্ট্ৰ-এছিয়াটিকসকলে প্ৰথমে ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিছিল যদিও, পিছত মংগোলীয়সকলৰ আগত তিষ্ঠিব নোৱাৰি পাহাৰীয়া অঞ্চললৈ হুঁহকি যাবলৈ বাধ্য হয়।

**নেগ্ৰিট'সকল ঃ** পাপন আৰু আন্দামানবাসীসকলৰ লগত বহু সাদৃশ্য থকা নেগ্ৰিট'সকলো এই অঞ্চললৈ হোৱা প্ৰথম প্ৰব্ৰজনকাৰীসকলৰ মাজৰ অন্যতম। অসমৰ দক্ষিণে থকা বৰ্তমান নাগালেণ্ডৰ অধিকাংশ নগাই এই গোষ্ঠীৰ লোক বুলি পণ্ডিতসকলে কয়। এওঁলোকৰ

পূৰ্বভূমি আফ্ৰিকা মহাদেশ। শাৰীৰিক গঠনত এওঁলোক চুটি-চাপৰ, বৰণ ক'লা আৰু চুলি কেঁকোৰা। উত্তৰ-পূবৰ গিৰিপথ আৰু সাগৰীয় পথেদি তেওঁলোক এই অঞ্চলত প্ৰৱেশ কৰিছিল। ঘৰৰ ভিতৰলৈ যোৱা দুৱাৰ মুখৰ ওপৰত মৌ বিচনী ওলোমাই ৰখা, আকস্মিকভাৱে মৃত্যু মুখত পৰা লোকৰ শৱদেহ গছত বান্ধি ওলোমাই ৰখা, বাঁহৰপৰা বিভিন্ন ধৰণৰ মাছধৰা সঁজুলি তৈয়াৰ কৰা, মৃত্যুৰ পিছত আত্মাত বিশ্বাস কৰা আদি তেওঁলোকৰ সংস্কৃতিৰ বিশেষত্ব।

**দ্ৰাবিড় সকল ঃ** অষ্ট্ৰ'-এছিয়াটিকসকলৰ পিছতেই দ্ৰাবিড়সকলৰ এটা শাখা পশ্চিম দিশৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকাত সোমায়। অসমৰ বৰ্তমান বণিয়া আৰু কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকল এই দ্ৰাবিড়সকলৰে বংশধৰ বুলি কোনো কোনোৱে কয়। দ্ৰাবিড় গোষ্ঠীৰ লোকসকল পিছৰ যুগত মংগোলীয়সকলৰ লগত এনেদৰে মিলি গ'ল যে তেওঁলোকৰ স্বকীয় অস্তিত্বই নোহোৱা হ'ল। এই সংমিশ্ৰণৰ ফলত এনে এক নতুন গোষ্ঠীৰ সৃষ্টি হ'ল, যাক মংগোলীয় দ্ৰাবিড় বুলি ক'লেও অত্যুক্তি কৰা নহয়। অসমীয়া মানুহৰ বিয়া-বাৰুৰ সময়ত হালধি ব্যৱহাৰ কৰাটো এই দ্ৰাবিড়সকলৰেই সাংস্কৃতিক অৱদান।

**মংগোলীয়সকল ঃ** লোক-সংস্কৃতি আৰু নৃতাত্ত্বিক সমলৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ অধিক সংখ্যক লোকেই মংগোলীয় গোষ্ঠীৰ ইন্দো-চীন ফৈদৰ তিব্বত-বৰ্মী শাখাৰ লোক। উত্তৰ-পশ্চিম চীনৰ হোৱাংহো উপত্যকা আৰু ইয়াংচিকিয়াং নদীৰ উজনি অঞ্চলেই এই লোকসকলৰ পূৰ্বৰ বাসস্থান আছিল। কিন্তু কোন সময়ত এই লোকসকল ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰিছিল তাক সঠিককৈ কোৱা টান। বহুতৰ মতে খ্ৰীঃ পূঃ ২০০০ বছৰৰ আগৰপৰাই বিভিন্ন সময়ত দল বান্ধি এওঁলোক এই অঞ্চলত প্ৰৱেশ কৰে। এওঁলোকৰ কোনো কোনো প্ৰথমেই আদি বাসস্থানৰপৰা আহি ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ইয়াৰ কাষৰ পাহাৰীয়া অঞ্চলত সোমায়, আৰু আন কোনো কোনোৱে পোনতে ব্ৰহ্মদেশলৈ গৈ তাৰপৰা অসমৰ পূব আৰু পূব-দক্ষিণৰ পাৰ্বত্য পথেদি অসমৰ পাহাৰীয়া অঞ্চলত প্ৰৱেশ কৰে। উত্তৰফালে ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আৰু মেনাম নৈৰ উপত্যকাইদিও এওঁলোকৰ কোনো কোনো শাখাৰ প্ৰব্ৰজন হৈছিল। উত্তৰ-পশ্চিমৰ গোৱালপাৰা, উত্তৰবংগ আদি ঠাইলৈ তিস্তা আৰু ধৰলা নদীৰ উপত্যকাইদি এওঁলোকৰ এটা অংশই প্ৰৱেশ কৰে। তাৰপৰা ক্ৰমান্বয়ে তেওঁলোক উত্তৰ-পশ্চিমৰ পাহাৰ-ভৈয়ামত বিয়পি পৰে। খাচিয়া-জয়ন্তীয়াসকলৰ পাহাৰীয়া বাসস্থান অঞ্চলক বাদ দি অসমৰ বৰ্তমান কাষৰীয়া পাৰ্বত্য এলেকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিকাংশ ঠাই এই মংগোলীয় গোষ্ঠীৰ লোকসকলেৰে এসময়ত ভৰি পৰিছিল। বড়ো, কোচ, কছাৰী, মৰাণ, মটক, চুতীয়া, ৰাভা, মেচ, তিৱা, হাজং, মিচিং, আদি, আপাতানি আদি এই গোষ্ঠীৰ লোক। পিছে, অসমত এতিয়া কোনো নিৰ্দিষ্ট শাখাৰ লোকক কেৱল মংগোলীয় বুলি আঙুলিয়াই দিব নোৱাৰি। কাৰণ, বৰ্ণবাদৰ

ভয়ানক আৰম্ভণি নথকা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলো লোকৰ গাতে ভিন্ন শাখাৰ লোকৰ তেজৰ কণিকা আৰু সাংস্কৃতিক উপজীৱ্য মিহলি হৈছে। সেয়ে ইয়াত নৃতত্ত্ববিদসকলে পূৰ্বে কৰি থৈ যোৱা পানী নসৰকা বিভাজনবোৰ প্ৰায়ে অকামিলা হৈ পৰা দেখা যায়। সি যি হওক, এই মংগোলীয়সকলৰ জনস্ৰোত কোনো এক নিৰ্দিষ্ট সময়তেই শেষ হোৱা নাছিল। যুগ যুগ ধৰি এই প্ৰব্ৰজন চলি আছিল আৰু বৰ্তমানেও আছে। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগত প্ৰব্ৰজন কৰা অসমৰ আহোমসকলো এই ইন্দু-চীনসকলৰে বংশধৰ। তদুপৰি খাম্‌তি, ফাকিয়াল, আইতনীয়া, খামজাং লোকসকলো মংগোলীয় গোষ্ঠীৰে লোক। অসমৰ আদিমতম থলুৱা লোকসকল এই মংগোলীয় প্ৰজাতিৰেই বুলি অনুমান হয়।

মংগোলীয়সকলক দুটা বহল ভাগত ভগাব পাৰি ঃ (ক) উত্তৰ অসমৰ ভাগ আৰু (খ) অসম-ব্ৰহ্ম ভাগ। বৰ্তমান অৰুণাচল প্ৰদেশৰ আদি, আপাতনি, নিচি, মিচিং, মিচিমি আদি জনজাতিৰ লোকসকলক উত্তৰ অসম ভাগত ধৰিব পাৰি। দ্বিতীয় ভাগত নগাসকলৰ আও, আংগামি, চেমা, ৰেংমা, লোথা আদিৰ উপৰি বড়োসকলক ধৰিব পাৰি। বড়োসকলৰ অন্তৰ্গত বহুত জনজাতি আছে। এসময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ শদিয়াৰপৰা ধুবুৰীলৈ আৰু পাহাৰীয়া অঞ্চলসমূহত এই লোকসকল সিঁচৰতি হৈ আছিল। আমি আগতেই উল্লেখ কৰি অহা গাৰো, কছাৰী, চুতীয়া, ৰাভা, কোঁচ, লালুং, মেচ, ডিমাছা, হোজাই, হাজং আদি লোকসকল এই জাতিৰ লোক। প্ৰাচীন আৰু মধ্যযুগত এওঁলোকৰ বহুতেই ৰাজ্য একোখন পাতি ৰাজনৈতিকভাৱে আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল। প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যসমূহত উল্লেখ কৰা কিৰাতসকল এই বড়োসকলকে ধৰি সমগ্ৰ মংগোলীয় আৰু অষ্ট্ৰিক গোষ্ঠীৰ লোক আছিল বুলি পণ্ডিতসকলে কয়।

**আৰ্যভাষীসকল ঃ** প্ৰব্ৰজনকাৰী গোষ্ঠীসমূহৰ ভিতৰত 'আৰ্য' বুলি থাওকতে কোৱা লোকসকলেই আটাইতকৈ শেষত অহা লোক। প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহত পোৱা প্ৰাগজ্যোতিষ বা কামৰূপৰ অধিবাসীসকলৰ বৰ্ণনাই ইয়াৰ অন্য এক প্ৰমাণ। কিৰাত ভূমি বা ম্লেচ্ছ দেশ বুলিয়েই ভাৰতৰ উত্তৰ-পূব অঞ্চল সেই সেই শাস্ত্ৰকাৰসকলৰ জনা আছিল। কিন্তু উত্তৰ ভাৰতত সংস্কৃত বা আৰ্যভাষীসকলৰ ক্ৰমাগত প্ৰসাৰণৰ লগে লগে, বিশেষকৈ ৰাজ্য গঠন প্ৰক্ৰিয়া এটা ক্ষিপ্ৰগতিত আগ বঢ়াৰ লগে লগে তেওঁলোকৰ অতি ক্ষুদ্ৰ দুই-এক অংশই ব্ৰহ্মপুত্ৰ উপত্যকাত ভুমুকি মাৰিছিলহি। বহুতো পণ্ডিতে ক'ব বিচাৰে যে জনজাতীয় মুৰব্বী একোজনৰ অধীনত একোখন ৰাজ্য গঠন হৈ উঠাৰ লগে লগে আৰ্য বা সংস্কৃতভাষী দুই-এজন লোক বা এটা গোটৰ কোনো কোনো ব্ৰাহ্মণৰ প্ৰব্ৰজন হৈছিল। ৰাজ্য গঠন প্ৰক্ৰিয়াত এওঁলোকৰ সমৰ্থন আৰু সাহায্যৰ অৰ্থে এইসকল লোক তেতিয়া আমন্ত্ৰিত হৈ আহিছিল। এই প্ৰথম চামৰ লোকসকলৰ জৰিয়তেই স্থানীয় কিৰাত-মংগোলীয় ৰজাসকল ক্ৰমান্বয়ে হিন্দু ধৰ্মৰ ফালে আকৃষ্ট হৈছিল আৰু তাৰ লগে লগে জনজাতীয়

পৰ্যায়ৰ লোকসকলৰ ঐতিহাসিক হিন্দুকৰণ প্ৰক্ৰিয়া এটাও আৰম্ভ হৈছিল ইয়াত। সমাজত তেতিয়াৰপৰাই জনজাতীয় নিয়ম-নীতিৰ মাজত সংস্কৃত নিয়ম-নীতিৰো প্ৰচলন হোৱা আৰম্ভ হ'ল। অসমৰ বিভিন্ন জাত বা Casteৰ লোকসকলৰ বহুতেই এইদৰে হিন্দুকৰণৰ ফলত সৃষ্টি হোৱা লোক— মূলতঃ জনজাতীয় গোষ্ঠীৰ। যি কি নহওক, এইদৰে আমন্ত্ৰণ কৰি আনি প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপৰ ৰজাসকলে মাটি-বৃত্তি দান দি আৰ্য ব্ৰাহ্মণসকলৰ বহুতকে ৰাজ্যখনত প্ৰতিষ্ঠা কৰাৰ লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকাতো আৰ্যভাষী গোষ্ঠী এটাৰ সৃষ্টি হয়। কিন্তু এওঁলোকৰ সংখ্যা আন সকলোবোৰ জনগোষ্ঠীৰ লোকৰ তুলনাত অতি কম।

আৰ্যসকলৰ লগত বহুক্ষেত্ৰত সাদৃশ্য থকা আলপাইন গোষ্ঠীৰ লোকো অতি প্ৰাচীন কালতে এই অঞ্চললৈ আহিছিল বুলি কোনো কোনো পণ্ডিতে মত প্ৰকাশ কৰিছে। বৰ্তমান অসমৰ কলিতাসকলেই এই গোষ্ঠীৰ লোক বুলি তেওঁলোকে ধাৰণা কৰে। ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ মতে অসমৰ যিকোনো অঞ্চলতে আৰ্য বাসস্থানৰ যি প্ৰমাণ পোৱা যায়, সেইবোৰ মূলতঃ আলপাইনসকলৰ বাসস্থানহে আছিল। কিন্তু এওঁলোক আৰ্যসকলৰে প্ৰভাৱান্বিত হোৱা বাবেহে এই বাসস্থানসমূহ আৰ্যসকলৰ বুলি ভবা হয়। ড° প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ আল্‌পাইন তত্ত্বৰ প্ৰচলন এতিয়া নাই।

**সংস্কৃতি ঃ** ওপৰৰ আলোচনাৰপৰা দেখা যায় যে প্ৰাচীন কালৰপৰাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলতো বিভিন্ন জনস্ৰোতৰ পথ আৰু বিশ্ৰামভূমি। বিশ্বৰ প্ৰতিটো জনগোষ্ঠীৰ লোক ইয়াত বৰ্তমান। কিন্তু সেয়ে হ'লেও ইয়াৰ অধিবাসীসকলৰ ভিতৰত মংগোলীয় জনগোষ্ঠীৰ লোকেই সৰ্বাধিক। সেই কাৰণেই ইয়াৰ ৰাজনৈতিক ক্ষমতা যুগে যুগে এওঁলোকৰ হাততেই ন্যস্ত হৈ আহিছে। ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ থলুৱা সংস্কৃতিত বিভিন্ন জনগোষ্ঠীৰ অৱদান থাকিলেও, স্বাভাৱিকতেই মংগোলীয়সকলৰে অৱদানেই বেছি। অসমৰ জনসমাজৰ এনে বাৰেৰহণীয়া সংগঠন মন কৰিবলগীয়া। তাতোকৈ মন কৰিব লগা ইয়াৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰভাৱ।

আৰ্যভাষী ব্ৰাহ্মণসকলৰ আগমনৰ লগে লগে সীমিতভাৱে হ'লেও অসমৰ থলুৱা সংস্কৃতিৰ এক ধাৰাবাহিক পৰিৱৰ্তন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। জনজাতীয় গোষ্ঠীসমূহে নিজ নিজ এলেকাত নিজস্ব আচাৰ-অনুষ্ঠানৰ মাজেৰে শক্তিশালী হৈ উঠাৰ লগে লগে আৰ্য গোষ্ঠীপ্ৰসূত ব্ৰাহ্মণসকলে অনাৰ্য মুখিয়ালসকলক হিন্দু ধৰ্মত দীক্ষিত কৰি বহু ক্ষেত্ৰত 'সংস্কৃত' কৰে। ইয়াৰ ফলস্বৰূপে ব্ৰাহ্মণ পুৰোহিত শ্ৰেণী আৰু এইসকল জনজাতীয় লোকৰ মাজত একপ্ৰকাৰ অবিচ্ছেদ্য সম্পৰ্ক এটাও স্থাপন হৈছিল। নিজৰ অৰ্থনৈতিক শক্তি আৰু এই বুদ্ধিমান পুৰোহিত শ্ৰেণীটোৰ সহায়ত এইদৰেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৰুৱা অঞ্চলত প্ৰথম ৰাজ্য প্ৰতিষ্ঠা হয় আৰু আৰ্য ৰাজতন্ত্ৰৰ নীতি অনুসৰি অনাৰ্য ৰজাক 'আৰ্যীকৃত ক্ষত্ৰিয়' কৰি এক দৈৱিক সূত্ৰৰ লগত তেওঁলোকক সংযুক্ত কৰা হয়। ইয়াৰ ফলত ৰজা আৰু তেওঁৰ বংশধৰসকল হিন্দুৰ দেৱ-দেৱীৰ লগত জড়িত

হোৱাৰ লগে লগে তেওঁলোক হিন্দু বুলিও নিজৰ পৰিচয় দিব পৰা হয়। নৰকাসুৰক বিষ্ণুৱে প্ৰাগ্‌জ্যোতিষৰ ৰজা পতা বা তেওঁক নানা প্ৰকাৰৰ পৰামৰ্শ দিয়া এই হিন্দুকৰণ প্ৰক্ৰিয়াৰেই এখন ছবি মাথোন। পিছৰ যুগত আমি বৰ্মন, শালস্তম্ভ আৰু পাল বংশৰ ৰজাসকলৰ ক্ষেত্ৰত আনকি আহোম, কোঁচ, চুতীয়া, কছাৰী আদি ৰজাসকলৰ ক্ষেত্ৰতো সেই একে কাৰ্যৰেই পুনৰাবৃত্তি দেখা পাওঁ।

নতুন ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ লগে লগে সমাজত দুটা প্ৰবল শক্তিৰ উদয় হৈছিল— (ক) বৰ্ণাশ্ৰম প্ৰথা আৰু (খ) মানুহৰ মাজৰ শ্ৰেণী বিভাজন। শাসক জনজাতিসকলক হিন্দু ধৰ্মত দীক্ষিত কৰাৰ লগে লগে এই ধৰ্মৰ নীতি অনুসৰি তেওঁলোক একো একোটা জাতিত (Caste) পৰিণত হৈছিল আৰু সেই জাতিসমূহ সদায় শূদ্ৰবৰ্ণৰ অন্তৰ্ভুক্ত হৈছিল। লগে লগে সংস্কৃতকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে এই নতুনকৈ সৃষ্টি হোৱা জাতিবিলাকৰ ভিতৰত উচ্চ-নীচৰ স্থান সৃষ্টি হৈছিল। সংস্কৃতকৰণৰ শীৰ্ষত উঠাসকল উচ্চ আৰু প্ৰাথমিক স্তৰত থকাসকল নিম্ন স্থানত থাকিব লগা হৈছিল। কিন্তু সেইবুলি তেওঁলোকৰ বৰ্ণৰ পৰিৱৰ্তন হোৱা নাছিল।

থলুৱা অধিবাসীসকলৰ নিজস্ব বিশ্বাস আৰু ৰীতি-নীতিও আছিল সুকীয়া। উৎসৱ-অনুষ্ঠান আদি প্ৰায়বোৰেই কৃষিভিত্তিক প্ৰজনন বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত আছিল আৰু স্ত্ৰীজাতিক বিশেষ সন্মান দেখুওৱা হৈছিল। কামাখ্যা দেৱী আৰু বিহু উৎসৱ এনে বিশ্বাসৰেই প্ৰতীক আছিল। পণ্ডিতসকলৰ মতে, সময়ৰ গতিত জনজাতিসকলৰ পূজিতা দেৱীক কামাখ্যা হিচাপে আৰ্যীকৃত কৰি হিন্দুধৰ্মৰ ভিতৰুৱা কৰি লোৱা হ'ল। নদ-নদী, ঠাই আদি সকলোবোৰৰে জনজাতীয় নামৰ পৰিৱৰ্তন ঘটাই সংস্কৃত নাম দিয়া হ'ল।

উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসকলৰ প্ৰত্যেকৰে নিজা নিজা ভাষা আছিল আৰু এই সকলোবিলাকেই আছিল অনাৰ্য ভাষা। অসমৰ বহুতো জনজাতিৰ মাজত এতিয়াও তেওঁলোকৰ নিজস্ব ভাষা বৰ্তি আছে। এই জনজাতীয় ভাষাসমূহৰ ভিতৰত অসমৰ প্ৰাচীনতম্ বৃহৎ ভাষাটো বড়ো ভাষাই আছিল বুলি বহুতো পণ্ডিতে বিশ্বাস কৰে। এডৱাৰ্ড গেইটৰ মতে, বড়ো ভাষাটো যে উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ ঠাইত সুদীৰ্ঘ দিন ধৰি চলিছিল তাৰ প্ৰমাণ অসমীয়া ভাষাত থাকি যোৱা বড়ো ভাষাৰ বিস্তৰ শব্দাৱলী। মন কৰিবলগা যে অসমৰ বহুতো নদীৰ নাম বড়ো ভাষাৰ পৰাই লোৱা হৈছে। শাসনাধিষ্ঠ জনগোষ্ঠীসকলৰ ভিতৰত আহোম আৰু চুতীয়াসকলৰো নিজস্ব ভাষাৰ অস্তিত্ব নথকা নহয়। কিন্তু ৰজা আৰু আৰ্য পুৰোহিত শ্ৰেণীৰ সংযোগকাৰী ভাষা হিচাপে মধ্যযুগৰ প্ৰথম অৱস্থাৰপৰাই অসমীয়া ভাষাৰ সৃষ্টি হয়। মূলতঃ ইন্দু-ইউৰোপীয় ভাষাগোষ্ঠীৰপৰা উদ্ভৱ হ'লেও অসমীয়া ভাষা ইয়াৰ চাৰিওফালে থকা অনাৰ্য লোকসকলৰ শব্দৰে পৰিগৰ্ভিত। ত্ৰয়োদশ শতিকাৰ কানাই বৰশীবোৱা শিলৰ ফলিত ব্যৱহাৰ কৰা আখৰখিনিয়েই অসমীয়া ভাষাৰ প্ৰাতঃকালৰ ব্যৱহৃত লিপি বুলি এতিয়ালৈকে জনা গৈছে।

## প্ৰয়োজনীয় তথ্য

আহোম ৰাজবংশৰ শাসনে সমাজক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। অসমৰ সামাজিক কাঠামো সুদৃঢ়কৰণ কৰাত, প্ৰকৃত গ্ৰাম্যকেন্দ্ৰিক সংস্কৃতিক প্ৰতিনিধিত্ব কৰা অন্যতম প্ৰতাপ সিংহৰ দিনত সৃষ্ট পাইকপ্ৰথা আৰু মোমাই তামুলী বৰবৰুৱাৰ অন্যান্য নীতিসমূহ। ই এক কৃষিজীৱী আৰু কৰ্মভিত্তিক শ্ৰেণী নিৰূপক সমাজ ব্যৱস্থা।

## মধ্যযুগৰ পাইক প্ৰথা আৰু ইয়াৰ প্ৰভাৱ

১২২৮ খ্ৰীষ্টাব্দত অসমলৈ প্ৰব্ৰজন কৰা আহোমসকলে এক কৃষিভিত্তিক সমাজৰ সংস্কৃতি বহন কৰি আনিছিল। আনহাতে, তেওঁলোক আহিয়েই অসমৰ উজনি অঞ্চলত লগ পোৱা ইয়াৰ অধিবাসীসকলৰ সকলো লোকেই তেতিয়াও জনজাতীয় স্তৰতেই আছিল আৰু চাৰিওফালে পৰি আছিল কৃষিৰ উপযোগী অজস্ৰ মাটি। উন্নত কৃষি প্ৰণালীৰ লগত পৰিচয় থকা আহোমসকলে প্ৰথমৰেপৰাই এই বিস্তীৰ্ণ সাৰুৱা অঞ্চলত স্থায়ী আৰু উৎপাদনশীল খেতিৰ ব্যৱস্থা কৰিছিল। এই প্ৰসাৰণমুখী কৃষিৰ বাবে যিখিনি শাৰীৰিক শ্ৰমৰ আৱশ্যক হৈছিল, সেইখিনি শ্ৰম যোগান ধৰিব পৰাকৈ তেওঁলোকৰ জনশক্তি নাছিল। স্বাভাৱিকতেই তেনে পৰিস্থিতিত স্থানীয় জনজাতীয় লোকসকলক প্ৰীতিভাৱেৰে বা আৱশ্যক অনুসাৰে দমনমূলক ৰীতিৰে বশ কৰি কৃষি বনুৱা হিচাপে ব্যৱহাৰ কৰিবলৈ তেওঁলোক বাধ্য হৈছিল। তদুপৰি সময়ৰ লগে লগে ৰাজ্যখনো বিস্তৃত হৈ যোৱাত ইয়াৰ প্ৰতিৰক্ষাৰ বাবে প্ৰবল সামৰিক শক্তি এটাৰো আৱশ্যক হৈ পৰিছিল। কিন্তু সমূহ জনবল কৃষিকাৰ্যতেই প্ৰধানতঃ জড়িত থাকিব লগা হোৱাত তেওঁলোকে এটা নিয়মিত সেনাবাহিনী ৰাখিব নোৱাৰিছিল। ফলত, সকলো কৰ্মক্ষম প্ৰজা কৃষককেই আৱশ্যক অনুপাতে ৰণলৈ যাবলৈয়ো বাধ্য কৰোৱা হৈছিল। এইদৰে সাময়িকভাৱে গঠন কৰিবলগীয়া সামৰিক শক্তিৰ প্ৰয়োজনতো পাইক প্ৰথাৰ সৃষ্টি হৈছিল। আনহাতে, টকা-পইচাৰ বহুলভাৱে প্ৰচলন নথকা অৱস্থাত এহাতে বেতন দি নিয়মিত সেনাবাহিনী এটা ৰখাটোও সম্ভৱ নাছিল, আৰু মন্ত্ৰী, বিষয়া আদি অন্যান্য ৰাজকৰ্মচাৰীসকলক দিবলৈয়ো মাটি আৰু প্ৰজাৰ শ্ৰমৰ বাহিৰে টকা-পইচাৰ ব্যৱস্থা নাছিল। বেতনৰ পৰিৱৰ্তে মাটি আৰু মঞ্জুৰি দিয়াৰ লগত কাম কৰিবলৈ মানুহ দিব লাগিছিল। পাইক প্ৰথাই এই শ্ৰম যোগানৰ ব্যৱস্থা কৰিছিল।

ৰাজ্যৰ প্ৰসাৰণ ঘটি শাসনৰ গাঁথনি বৃদ্ধি পোৱাৰ লগে লগে এই পাইক প্ৰথাক সু-সংগঠিত কৰি তুলিব লগা হৈছিল। তদুপৰি পাইক প্ৰথাৰ মাধ্যমেৰে জনজাতীয় সমাজ আৰু উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তন

ঘটি আহোমৰ সামন্তীয় প্ৰথাৰ লগত মিলি গৈছিল; তাৰ ফলত ব্যক্তিগত সম্পত্তিৰ বিকাশ ঘটিছিল আৰু পাইকসকলকো সুপৰিকল্পিতভাৱে সংগঠন কৰি তেওঁলোকক পণ্য সামগ্ৰী উৎপাদনত খটুৱাব লগা হৈছিল। এইদৰে 'খেল' প্ৰথাৰ সৃষ্টি কৰি পাইকৰ সংগঠন কৰা হৈছিল।

১৬০৯ খ্ৰীঃত পোন প্ৰথমে স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত মোমাই তামুলী বৰবৰুৱাই সাংগঠনিক ৰূপত পাইক প্ৰথাৰ প্ৰৱৰ্তন কৰে। এই প্ৰথাত ১৬ বছৰৰপৰা ৫০ বছৰ বয়সৰ ভিতৰত সকলো কৰ্মঠ মুনিহ প্ৰজাকে পাইক বুলি কোৱা হৈছিল আৰু পাল পাতি পাতি প্ৰতিজন পাইকে বছৰত তিনি মাহকৈ ৰাজ্যৰ বাবে অৰ্থাৎ ৰজাৰ হৈ কাম কৰি দিব লাগিছিল। এই নিয়মকে পাইক প্ৰথা বুলি কোৱা হৈছিল। এই প্ৰথমতে তিনি বা চাৰিজনকৈ তেনে কৰ্মঠ লোকৰ একোটা 'গোট' কৰা হৈছিল আৰু তেনে কেইবাটাও গোট একেলগ হৈ তেওঁলোকৰ বাবে নিৰ্দিষ্ট কৰি দিয়া কিছুমান কাম কৰিব লাগিছিল। এই ডাঙৰ সমষ্টিবিলাকক 'খেল' বোলা হৈছিল। প্ৰথম অৱস্থাত একোটা অঞ্চলত সেই সকলো পাইকৰ গোটকে একেলগ কৰি একোটা স্থানীয় খেল কৰা হৈছিল, যেনে— ডিমৰুগুৰিত পতা এনে খেলটোৰ নাম ডিমৰুগুৰীয়া খেল, চামগুৰিত পতা খেলটোৰ নাম চামগুৰীয়া খেল ইত্যাদি। কিন্তু পিছৰফালে একোটা নিৰ্দিষ্ট কাম কৰা বা সেই কামত পাৰ্গত লোকসকলক একেলগ কৰি খেলবোৰৰ সৃষ্টি কৰা হৈছিল। সেইদৰে সোণ কমোৱা, লোণ উৎপাদন কৰা, হাতী ধৰা আৰু প্ৰশিক্ষণ দিয়া, খৰি যোগোৱা, নাও সজা, নাও চলোৱা, ধেনু সজা আদি কামৰ বাবে বেলেগ বেলেগ খেলৰ সৃষ্টি হৈছিল। একোটা খেলৰ পৰিচালনাৰ বাবে একোজন বিষয়া 'খেলদাৰ' আছিল আৰু উচ্চ বিষয়াৰ আদেশ পোৱাৰ লগে লগে খেলদাৰে তেওঁৰ খেলৰ মানুহক ৰজাঘৰীয়া কামৰ বাবে সাজু কৰি উলিয়াইছিল।

গোটবিলাকৰপৰা একোজনকৈ লোকে পাল পাতি কাম কৰি দিব লাগিছিল। এনে একোজন পাইকক 'পোৱা পাইক' বোলা হৈছিল। প্ৰথম অৱস্থাত চাৰিজন পাইকেৰে এটা গোট হোৱাত এজনে তিনিমাহকৈ, আৰু পিছলৈ তিনিজন পাইকেৰে গোটবোৰ গঠন কৰিবলৈ লোৱাত প্ৰতিজন পাইকে চাৰিমাহকৈ কাম কৰি দিব লাগিছিল। গোটবোৰৰ প্ৰথমজন পাইকক 'মূল', দ্বিতীয়জনক 'দেৱাল' আৰু তৃতীয়জনক 'তেৱাল' বুলি কোৱা হৈছিল। গোটটোৰ মূলজনে তেওঁৰ পাল খাটিবলৈ যোৱা সময়ত বাকীকেইজনে (দেৱাল আৰু তেৱাল) তেওঁৰ খেতিৰ পথাৰত কাম কৰি দিয়াৰ উপৰি তেওঁৰ পৰিয়ালৰ দায়িত্বও বহন কৰিব লাগিছিল। যুদ্ধ বা তেনে কোনো জৰুৰী অৱস্থাত একোটা গোটৰ ৩/৪ বা ২/৩ অংশ পাইকে ৰাজ্যখনৰ হৈ কাম কৰিবলৈ যাব লাগিছিল। পাইকবিলাকে এনেদৰে বিনামূলীয়াকৈ ৩ বা ৪ মাহ কাম কৰি দিব লগা হোৱা বাবে তেওঁলোকে ভাল শালি খেতি হোৱা দুপূৰা মাটিত বিনা খাজনাই নিজৰ বাবে খেতি কৰাৰ সুবিধা পাইছিল। এই মাটিক 'গা-মাটি' বোলা হৈছিল। পাইকৰ ভাগৰ দুপূৰা মাটি সদায় সেই পাইকৰ খেলৰ জিম্মাতহে ৰখা হৈছিল আৰু পাইকে খেলৰপৰা সেই মাটি পাইছিল। অৱশ্যে সমৰ্থৱান পাইকে গা-মূৰী পইচা দি শাৰীৰিক শ্ৰমৰ পৰা ৰেহাই পাব পাৰিছিল। খাটি দিব লগা কামৰপৰা অব্যাহতি পাবলৈ তেনে একোজন পাইকে বছৰেকত ২ টকাকৈ

পইচা ৰজাৰ ঘৰত জমা দিব লাগিছিল। কিন্তু ২ টকা ধন সংগ্ৰহ কৰাটো এজন পাইকৰ পক্ষে সেই সময়ত সম্ভৱ নাছিল।

একোটা খেলত ১০০০—৩০০০লৈকে পাইক আছিল। ডাঙৰ আৰু জৰুৰী দায়িত্বত থকা খেলবিলাক একো একোজন 'ফুকন'ৰ তত্ত্বাৱধানত ৰখা হৈছিল, যেনে— নাওসজা খেলৰ ওপৰত এজন 'নাওশলীয়া ফুকন', যখাৰ তৈয়াৰ কৰা খেলৰ ওপৰত এজন 'খাৰঘৰীয়া ফুকন' আছিল। সৰু খেলবিলাক 'ৰাজখোৱা' বা 'বৰুৱা'ৰ অধীনত ৰখা হৈছিল।

পাইকৰ ওপৰত ৰাষ্ট্ৰৰ অধিকাৰ আছিল অতি কটকটীয়া। প্ৰতি ২০ জন পাইকৰ ওপৰত একোজনকৈ নিম্নবৰ্গৰ বিষয়া আছিল। তেওঁক 'বৰা' বুলি কোৱা হৈছিল। ১০০ জনৰ ওপৰত এজন শইকীয়া, ১০০০ জনৰ ওপৰত এজন হাজৰিকা আৰু ৬০০০ জনৰ ওপৰত এজন ফুকন আছিল। ৰাজ্যৰ বাবে কৰি দিব লগা কামৰ উপৰি পাইকবিলাকে তেওঁলোকৰ বিষয়াসকলৰ ঘৰতো কাম-বন কৰি দিব লাগিছিল।

'কাঁড়ী' আৰু 'চমুৱা'— এই দুটা ভাগত পাইকক ভাগ কৰা হৈছিল। চমুৱা পাইকসকলে বাধ্যতামূলক গা-খাটনিৰপৰা অব্যাহতি পাইছিল আৰু তাৰ পৰিৱৰ্তে তেওঁলোকে ৰজাৰ ঘৰত কিছু কৰ শোধাব লগা হৈছিল। এইদৰে পাইকৰ মাজতো উচ্চ শ্ৰেণী এটাৰ সৃষ্টি হৈছিল। চমুৱা পাইকৰ পৰাহে বৰা, শইকীয়া, হাজৰিকা, বৰুৱা আদি বিষয়া নিযুক্তি দিয়া হৈছিল। কিন্তু এই বিষয়াসকলৰ ওপৰত কিবা কাৰণত অসন্তুষ্ট হ'লে পাইকে তেওঁলোকক ভাঙিবও পাৰিছিল। বাধ্যতামূলক গা-খাটনিৰপৰা সাধাৰণতে ৰেহাই নোপোৱা কৃষক প্ৰজাক 'কাঁড়ী' পাইক বোলা হৈছিল। ইয়াৰ উপৰি সোণাৰি, কঁহাৰ তাঁতী, কাটনী আদি উৎপাদনশীল বৃত্তিজীৱী সকলো কাঁড়ী পাইকৰ খেলত পৰিছিল আৰু তেওঁলোকে এটা নিৰ্দিষ্ট নিৰিখত উৎপাদিত দ্ৰব্যেৰে ৰজাক বছৰি কৰ শোধাব লাগিছিল।

খেলৰ পাইকবিলাকে খেলটোৰ নিৰ্দিষ্ট কামৰ বাহিৰে সাধাৰণতে অন্যান্য খেলৰ কাম কৰিব নোৱাৰিছিল আৰু বিভিন্ন খেলবিলাকৰ মাজত একোটা সামূহিক সংগঠন কৰি ব্যৱসায় কৰাৰ সুবিধাও কৰি ল'ব নোৱাৰিছিল। সেই কাৰণে আহোমৰ সময়ত অসমত বাণিজ্যিক সংগঠন (Guild) গঢ় লৈ উঠাটো সম্ভৱ নহৈছিল।

মুদ্ৰা অৰ্থনীতি নথকা অৱস্থাত মাটি আৰু তাত উৎপাদন কৰিবলৈ নিয়োজিত কৰা মানুহবিলাকেই এজন ব্যক্তিৰ সম্পত্তি আছিল। সেইদৰে উৎপাদনত ব্যস্ত থকা মানুহখিনিক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিব পৰা বাবেই পাইক প্ৰথাটোক একপ্ৰকাৰ দাস প্ৰথা আৰু পাইকসকলক সাংগঠনিক ভিত্তিত পোৱা দাস-শ্ৰমিক বুলিও কোনো কোনো বস্তুবাদী ঐতিহাসিকে ক'ব বিচাৰে। কাৰণ এই পাইকসকলক কিছুমান নীতিৰ মাধ্যমেদি সংগঠন কৰি কামত খটুওৱা হৈছিল। কিন্তু আচলতে পাইক প্ৰথাত দাস-শ্ৰমিকৰ ছবি এখন দেখিলেও আহোম-শাসনৰ 'পাইক' আৰু 'দাস'সকল একে নাছিল। পাইকসকলৰ ব্যক্তিগত স্বাধীনতা একেবাৰে

নোহোৱাকৈ থকা নাছিল। তেওঁলোকে বাধ্যতামূলক গা-খাটনি নিদি তাৰ পৰিৱৰ্তে টকা-পইচা দি গা-খাটনিৰ পৰা ৰেহাই পাব পাৰিছিল আৰু সম্পূৰ্ণ নিজাববীয়াকৈ দুপূৰা মাটিত খাজনা নভৰাকৈ খেতি কৰাৰ সুবিধা পাইছিল। তদুপৰি, একোজন পাইকে দেশৰ বাবে বা কোনো বিষয়াৰ ঘৰত ৩ বা ৪ মাহ কালহে কাম কৰি দিছিল; বাকী সময়ছোৱাত তেওঁ নিজৰ বাবেহে পৰিশ্ৰম কৰিছিল। তেওঁলোকে বিষয়া ভঙা-পতাৰো অধিকাৰ পাইছিল। এনেবোৰ কাৰণতে বৰ্বৰ দাস প্ৰথা আৰু পাইক প্ৰথাৰ মাজত পাৰ্থক্য ৰৈ গৈছিল। ফলত, ইয়াৰ দ্বাৰা সাংগঠনিকভাৱে বনুৱা, কাৰিকৰ, সৈনিক আদি সংগ্ৰহ কৰিলেও সামাজিকভাৱে পাইক আৰু দাস একাকাৰ হোৱা নাছিল। কিন্তু তথাপি, সীমিতভাৱে হ'লেও বাধ্যতামূলক গা-খাটনি দিব লগা হোৱা বাবে মানুহৰ ব্যক্তি-স্বাধীনতা নোহোৱা হৈছিল আৰু পাইকসকল প্ৰায় অৰ্ধ দাসত পৰিণত হৈছিল। ইয়াৰ ফলত উৎপাদনত ব্যস্ত থাকিও সম্পূৰ্ণ উৎপাদনৰ উপভোগী বা অংশীদাৰ হ'বলৈ নোপোৱাত সমাজৰ কিছু অংশই মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ৰজাৰ বিৰুদ্ধে হাত উজান দিছিল।

পাইক প্ৰথাত পাইকসকলে মাটিৰ মালিকীস্বত্ব নাপাইছিল; ৰজাই ইচ্ছা কৰিলে তেওঁলোকক এঠাইৰপৰা আন ঠাইলৈ উঠাই নিব পাৰিছিল। তদুপৰি একোজন পাইকে যি দুপূৰাকৈ খেটিৰ মাটি পাইছিল, সেইখিনিও তেওঁ ব্যক্তিগত নামত মঞ্জুৰ কৰা হোৱা নাছিল, কৰিছিল একোটা খেলৰ নামত। সেই খেলৰ সদস্য হিচাপেহে পাইকজনে দুপূৰা মাটিত খেতি কৰাৰ অধিকাৰ পাইছিল। আনহাতে কৰ্মক্ষম অৱস্থা পাৰ হোৱাৰ পিছত (অৰ্থাৎ ৫০বছৰ বয়সৰ পিছত) তেওঁ সেইখিনি মাটি খেলক চম্‌জাই দিব লাগিছিল। অৱশ্যে আপাততঃ তেনে নিয়ম থাকিলেও কাৰ্যত সেয়া হোৱা নাছিল। বাপেকৰ পিছত পুতেকৰ হাতলৈকে সাধাৰণতে সেইখিনি মাটি হস্তান্তৰ হৈছিল। সেই কাৰণেই তেতিয়া মাটি কিনা-বেচা নহৈছিল। যি কি নহওক, একোটা খেলক সংগঠন ভিত্তিত মাটি দিয়া প্ৰথা থকা বাবেই এই ব্যৱস্থাত জনজাতীয় চৰিত্ৰৰ (গোষ্ঠীগত মালিকীস্বত্ব) লক্ষণ দেখা যায়। কিন্তু ইয়াত জনজাতীয় আদিম সমাজৰ সাম্যবাদী আদৰ্শৰ বীজ নাছিল।

পাইক প্ৰথাৰ মাধ্যমেৰে কৃষক-কাৰিকৰ শ্ৰেণীক শোষণ কৰিবলৈ সুবিধা হৈছিল। ব্যক্তি-স্বাধীনতা হেৰুৱাই বাধ্য-বাধক নিয়ম-নীতিৰ মাজত অহৰহ গা-খাটনি দি থাকিব লগা হোৱাত, বিশেষকৈ বাধ্য হৈ যুদ্ধৰ সৈনিক হ'ব লগা হোৱাত পাইকসকলৰ মনত সময়ত পলায়নবাদী মনোভাব এটাই গঢ় লৈ উঠিছিল। ফলস্বৰূপে, শান্তি আৰু যুদ্ধ— সকলো সময়তে নিয়মিতভাৱে গা-খাটি দিয়াতকৈ বহুতে বিষয়াসকলৰ ঘৰত লগুৱা, লিক্‌চৌ হিচাপে আৰু মন্দিৰত ভকত বা 'দেৱলীয়া' পাইক হিচাপে থাকিবলৈহে আহিছিল।

গতিকে দেখা যায় যে পাইক প্ৰথাৰ মূল ভেটি আছিল সমসাময়িক অসমীয়া সমাজৰ স্ব-নিৰ্ভৰশীলতা। য'ত কোনো বাণিজ্যিক সম্পৰ্কৰ অবিহনেই ৰাজ্যৰ অৰ্থনীতি বিনিময় প্ৰথাৰ মাধ্যমেদি পৰিচালিত হৈছিল। সমাজত আকালো নাছিল, ভঁৰালো নাছিল। মুঠৰ ওপৰত উদ্বৃত্ত শূন্য কৃষি উৎপাদন ব্যৱস্থাক পাইক প্ৰথাই প্ৰতিনিধিত্ব কৰিছিল।

**প্ৰয়োজনীয় তথ্য**

জাতি গঠন এক ক্ৰমবিকাশ প্ৰক্ৰিয়া। অসমৰ সমাজ গঠনত ইয়াত বসবাস কৰা সকলো জাতি আৰু জনগোষ্ঠীৰে বৰঙণি আছে। বিভিন্ন সময়ত অসমলৈ অহা জনগোষ্ঠীসমূহে বাৰেৰহণীয়া সংস্কৃতিৰ বিকাশ ঘটাইছে।

## অসমৰ সামাজিক বৈশিষ্ট্য

অসম মূলতঃ এখন জনজাতি বসতিপ্ৰধান ৰাজ্য। পুৰণি সংস্কৃত সাহিত্যসমূহত এই অঞ্চলৰ মানুহৰ কথা উল্লেখ কৰোঁতে তেওঁলোকক বুজাবলৈ সাধাৰণতে 'ম্লেছ' বা 'কিৰাত' নামটো ব্যৱহাৰ কৰা হৈছিল। 'ম্লেছ' বা 'কিৰাত' শব্দ দুটাৰ আক্ষৰিক অৰ্থ একেবাৰে একে নহ'লেও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত এই দুটা সমাৰ্থক অৰ্থত ব্যৱহাৰ কৰা হৈছিল। ইহঁতৰ সাধাৰণ অৰ্থ আছিল এই যে সেই নামেৰে বুজা মানুহখিনি বৈদিক বা ব্ৰাহ্মণ্য সংস্কৃতিৰ আওতাৰ বাহিৰত আছিল। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্য গঠন প্ৰক্ৰিয়া এটা আৰম্ভ হোৱাৰ লগে লগে আনুমানিক খ্ৰীষ্টজন্মৰ আগে-পিছে ইয়ালৈ নিয়মিত ৰূপত ব্ৰাহ্মণ্য সংস্কৃতিৰ আগমন হয় আৰু ৰাজন্য গোষ্ঠীবোৰৰ আমন্ত্ৰণ আৰু পৃষ্ঠপোষকতাত ইয়াত সেই সংস্কৃতিয়ে খোপনি পুতিবলৈ আৰম্ভ কৰে। ক্ৰমে ভূমিদান, ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থা আৰু ৰীতি-নীতিৰ বিকাশ, মন্দিৰ নিৰ্মাণ, ৰাজ্যৰ ভৌগোলিক পৰিসীমাৰ বৰ্ধিতকৰণ ইত্যাদি বিভিন্ন কাৰণত জনজাতীয় সমাজখন লাহে লাহে ব্ৰাহ্মণ্য সংস্কৃতিৰ আওতালৈ আহে আৰু ৰাজ অনুগ্ৰহত বৰ্ণাশ্ৰম ধৰ্ময়ো অতি সীমিত ৰূপত হ'লেও অগ্ৰগতি লাভ কৰে। ফলত, প্ৰাচীন কামৰূপ ৰাজ্যখনৰ সময়তে অসমত জাতি বা বৰ্ণ প্ৰথাৰো আৰম্ভণি হয়। কিন্তু একান্তই জনজাতীয় পৰ্যায়ত থকা বৃহত্তৰ সমাজখনক অতি সীমিত পৰিসীমাৰ ব্ৰাহ্মণ্য সংস্কৃতিয়ে সম্পূৰ্ণৰূপে আৰু কম সময়ৰ ভিতৰতে ৰূপান্তৰ কৰিব পৰা নাছিল, বা কৰিব পৰা অংশৰো জনজাতীয় বৈশিষ্ট্যসমূহ সম্পূৰ্ণ নোহোৱা হৈ পৰিল। তদুপৰি, উপত্যকাটোৰ উজনিফালে ৰাজ্যগঠন প্ৰক্ৰিয়া এটা পলম হোৱাত, আৰু কামৰূপ ৰাজ্যখনৰ ভৌগোলিক সম্প্ৰসাৰণো সেইফালে বিশেষভাৱে নোহোৱাত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত অন্ততঃ মধ্যযুগ পৰ্যন্ত বৰ্ণাশ্ৰম ধৰ্মৰ বিশেষ সম্প্ৰচাৰ নঘটিল। তদুপৰি এইফালে ৰাজ্যগঠন প্ৰক্ৰিয়াও তুলনামূলকভাৱে পিছপৰাত বৃত্তিসূচক জাতি বা জনগোটবোৰৰ গঠন প্ৰক্ৰিয়া এটাৰো বিশেষ অগ্ৰগতি নহ'ল। আহোম ৰাজত্বৰ সময়ত যিখিনি তেনে শ্ৰেণীৰ জাতি বা জাত (Caste)-ৰ সৃষ্টি হৈছিল, যেনে— কাটনী, সোণোৱাল, কমাৰ, কুমাৰ ইত্যাদি

তেওঁলোকৰো পৰিচয় বৃত্তিভিত্তিক নহৈ গোষ্ঠীগত হৈয়ে থাকিল। ফলত, অসমত সাধাৰণ অৰ্থত আৰু সৰ্বস্তৰ বিয়পাকৈ প্ৰাচীন যুগৰ কালছোৱাত জাত-বৰ্ণ ব্যৱস্থা পৈণত নহ'ল। তদুপৰি, জনসংমিশ্ৰণ ইয়াৰ আদিৰেপৰা থকা এটা অতি প্ৰভাৱশীল সংস্কৃতি। প্ৰায় সকলোবোৰ মধ্যযুগীয় ৰজাই প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে এনে সংমিশ্ৰণত উৎসাহ যোগাইছিল। ফলত অসমত ভাৰতৰ আন আন ঠাইৰ দৰে জাতি বিভাজন, বা বৰ্ণ বৈষম্যৰ প্ৰগতি ক্ষিপ্ৰতৰ হ'বলৈ নাপালে বা ইয়াৰ চোক অতি প্ৰখৰ হৈ নুঠিল। তথাপি, বৰ্ণাশ্ৰম ধৰ্ম বা জাত প্ৰথা ইয়াত অজ্ঞাত নাছিল। জাত বা জাতি আৰু জনজাতি— উভয়ে মিলিয়েই এসময়ত অসমীয়া সমাজৰ ভেটি তৈয়াৰ হৈছিল।

তলত অসমৰ মধ্যযুগৰ সমাজ গঠন প্ৰক্ৰিয়াটোৰ এটি ঐতিহাসিক ৰূপ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

## জনবিন্যাস— জাতি আৰু শ্ৰেণী ঃ

মধ্যযুগৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান ৰাজ্যখন আছিল আহোম ৰাজ্য। এই ৰাজ্যখনৰ ভেটি স্থাপন হৈছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ একেবাৰে দক্ষিণ-পূব অঞ্চলত— মৰাণ, বৰাহী, চুতীয়া, কছাৰী আদি জনজাতীয় স্তৰৰ লোকসকলৰ বসতিপূৰ্ণ অঞ্চলত। মৰাণ, বৰাহী আদি জনজাতি অধ্যুষিত অঞ্চলতে আহোমসকলে তেওঁলোকৰ ৰাজ্যখনৰ ভেটি স্থাপন কৰাত স্বাভাৱিকতেই আহোম ৰাজ্যৰ প্ৰথম অধিবাসীসকলৰ ভিতৰত মৰাণ, বৰাহী আদি লোকসকলৰেই সংখ্যাধিক্য আছিল। কিন্তু, এওঁলোকে নিজস্ব পৰিচয় ৰক্ষা কৰি থাকিব পাৰিলেও এওঁলোকৰ মাজত বহুতে বিয়া-বাৰুৰ মাধ্যমেৰে আহোমসকলৰ লগত মিলি গৈছিল। কাৰণ, প্ৰথম অৱস্থাত মংগোলীয় গোষ্ঠীৰ সকলো স্থানীয় লোককে আহোমসকলে সমগোত্ৰীয় জ্ঞান কৰিছিল আৰু তেওঁলোকৰ লগত বিনাদ্বিধাই মিলা-মিচাও কৰিছিল। কিন্তু সেয়ে হ'লেও সম্ভ্ৰান্তবংশীয় আহোম পৰিয়ালকেইটাই নিজৰ আভিজাত্য বজাই ৰাখিবলৈ চেষ্টা কৰিছিল। এওঁলোকৰ ভিতৰত মুঠতে সাতোটা পৰিয়াল আছিল আৰু তেওঁলোকক একেলগে 'সাতঘৰীয়া আহোম' বুলি কোৱা হৈছিল। সেইসকল হ'ল— ৰজা ঘৰৰ পৰিয়াল, বুঢ়াগোহাঁইৰ পৰিয়াল, বৰগোহাঁইৰ পৰিয়াল, দেওধাই, মহন, বাইলুং আৰু চিৰিং পৰিয়াল। কোনো কোনোৰ মতে পিছৰ চাৰিটা পৰিয়াল হ'ল — লাহন, সন্দিকৈ, দিহিঙীয়া আৰু দুৱৰা পৰিয়ালহে। ইয়াৰ বাহিৰেও অন্যান্য খিলঞ্জীয়া গোষ্ঠীৰ পৰা আহোম খেললৈ উন্নীত হোৱা সাধাৰণ পৰিয়ালসমূহ আছিল।

হিন্দু বৰ্ণ ব্যৱস্থাৰ ভিতৰুৱাসকলৰ ভিতৰত উচ্চ আসন বা পদবী লাভ কৰাসকলৰ ভিতৰত আছিল— ব্ৰাহ্মণ, কায়স্থ, গণক আৰু কলিতাসকল। ইয়াৰ উপৰি কেওঁট, কোচ, বৰীয়া বা সূত, কাটনী বা যোগী আদি কৰি কেইবাটাও প্ৰধান জনগোট আছিল। কোচসকলৰ অধিকাংশই নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰিছিল আৰু তেওঁলোকৰ প্ৰায়ভাগেই তেতিয়াও জনজাতীয় পৰ্যায়তেই আছিল। খ্ৰীঃ পঞ্চদশ শতিকাৰ আৰম্ভণি কালত অনুঃ ১৫১৫ খ্ৰীঃত কোঁচসকলৰ যুৱনেতা বিশু ওৰফে বিশ্বসিংহই কোঁচ ৰাজ্যখনৰ ভেটি প্ৰতিষ্ঠা কৰিবৰ সময়ত গোৱালপাৰা, ভূটানৰ সীমামূৰীয়া অঞ্চল, বৰ্তমানৰ উত্তৰ-বংগ আৰু বাংলাদেশৰ কিছু অঞ্চল সামৰি এই

বিস্তৃত অঞ্চলটোত বিয়পি আছিল মেছ-কছাৰীমূলৰ কোঁচসকল। উল্লেখ্য, বংগদেশত ইছলাম ধৰ্ম প্ৰচাৰ হোৱাৰ সময়ত অৰ্থাৎ খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিত এওঁলোকৰ বহুতেই ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল। পুৰণি কামৰূপ ৰাজ্যৰ সীমাৰ সিপাৰৰ বাসিন্দা আলিমেছে ইছলাম ধৰ্ম গ্ৰহণ কৰি মহম্মদ ইবন বখ্তিয়াৰৰ কামৰূপ আক্ৰমণত সহায় কৰাৰ কথা বখ্তিয়াৰৰ আক্ৰমণৰ তৎকালীন বৰ্ণনাৰপৰাই জনা যায়। নৃতাত্ত্বিক পণ্ডিত E.T. Daton এ কোঁচ-মেছসকলৰ মাজত ইছলাম ধৰ্ম সম্প্ৰচাৰৰ বিষয়ে কিছু তথ্য আগবঢ়াইছে। কিন্তু ৰাজ্যগঠন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে হিন্দু ব্ৰাহ্মণ্য ধৰ্মৰ ভিতৰুৱা হ'বলৈ যোৱা কোঁচ-মেছসকলৰ সামাজিক, সাংস্কৃতিক পৰিৱৰ্তনৰ ধাৰা এটাও আৰম্ভ হয়। উল্লেখযোগ্য যে তেওঁলোকৰ মাজৰ ঘাইকৈ ৰাজ পৰিয়ালৰ বংশধৰসকলেহে প্ৰাথমিক পৰ্যায়ত হিন্দুধৰ্মৰ ভিতৰুৱা হৈ শিক্ষাই-দীক্ষাই আগ বাঢ়িছিল। প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল যে ইতিমধ্যে কামৰূপ ৰাজ্যখনৰ সময়ত অৰ্থাৎ খ্ৰীঃ ৪ৰ্থ শতিকাৰপৰা দ্বাদশ শতিকাৰ শেষলৈ এই কালছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ নামনি অংশত বিশেষকৈ বৰ্ণাশ্ৰম প্ৰথা আৰম্ভ হৈছিল; ফলত ব্ৰাহ্মণসকলৰ উপৰি কোনো কোনো বৃত্তিমূলক বা জনগোষ্ঠীয় জাতিও (Ethnic caste) সেই সময়ত তৈয়াৰ হৈছিল। কেওঁট, কৈৱৰ্ত, কলিতা, যোগী, কুমাৰ আদি কিছু তেনে জাতি বা জাতিৰ অৱস্থিতিৰ উল্লেখ পোৱা যায়।

আহোম-মোগল সংঘৰ্ষৰ কালছোৱাত ভাৰতৰ অন্যান্য ঠাইৰপৰা আহিছিল শিখ আৰু ৰাজপুত জাতিৰ কোনো কোনো লোক। অষ্টাদশ শতিকাৰ শেষৰফালে পূবফালৰপৰা টাই জাতীয় খাম্‌টি, ফাকিয়াল, আইতনীয়া, খাময়াং, তুৰুং আদি লোকসকল অসমত সোমাইছিলহি। এইসকল লোক বৌদ্ধধৰ্মী আছিল। এওঁলোকৰ মাজত এতিয়াও বৌদ্ধধৰ্মৰ প্ৰচলন আছে। বৰ্তমান অৰুণাচল প্ৰদেশৰ নামচাই আৰু অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, লখিমপুৰ আদি ঠাইত এওঁলোকৰ বাস। নগাঁও জিলাৰ কিছু অঞ্চলকে ধৰি পশ্চিমলৈ বাস কৰিছিল লালুং, হোজাই, হাজং, গাৰো, ৰাজবংশী, ৰাভা আদি বড়ো জাতীয় অন্যান্য লোকসকলে। এওঁলোকৰ ভিতৰত ৰাজবংশী বা কোঁচসকল স্থায়ী কৃষিবিদ্যাত তুলনামূলকভাৱে অতীতৰেপৰাই আগ বঢ়া আছিল। এওঁলোকৰ সকলোৰে মাজত নিজ নিজ জনজাতীয় বিশ্বাসৰ এসময়ত প্ৰচলন আছিল। মধ্যযুগৰ অসমত সংযোগ হোৱা আন এটা জনগোষ্ঠী বা জাতি হ'ল আহোমসকল। আহোম নামটো অসমীয়া ভাষাৰ নাম, আৰু এওঁলোকৰ জাতি (Caste) হিচাপে গঠন হোৱা প্ৰক্ৰিয়াও মধ্য যুগৰে। চুকাফাৰ লগত তেওঁৰ পূৰ্বৰ পিতৃভূমি মাওলুঙৰপৰা অহা অতি কম সংখ্যক পৰিয়ালৰ লগতে বাটত লগ লগা আৰু অসমত নিজৰ ভিতৰত সুমুৱাই আহোম কৰি লোৱা পৰিয়ালৰ সদস্যসকলেৰে আহোম জাতি গঠন হৈছে। সেয়ে এওঁলোকৰ মাজৰ চুকাফা বংশীয় ৰাজপৰিয়াল আৰু চুকাফাৰ লগত অহা সম্ভ্ৰান্ত পৰিয়ালকেইটাৰ লগত বাকীখিনি আহোমৰ মূল বহু ক্ষেত্ৰতে একে নহয়। মধ্যযুগৰ পাইক ব্যৱস্থাত আহোমসকলেই প্ৰধান অংশীদাৰ আছিল। আহোমসকলৰ অসমলৈ আগমনৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। (অসমৰ সংখ্যাধিক্য থকা পুৰণি জাতি-জনগোষ্ঠীবিলাকৰ ভিতৰত আহোমসকল লেখত ল'বলগীয়া।)

আহোম, কোঁচ, মোগলৰ শাসন কালত গঢ়ি উঠা জনসমষ্টিবিলাকৰ ভিতৰত আন এটা আছিল মুছলমানসকল। ৰজাৰ আমন্ত্ৰণ, যুদ্ধবন্দিত্ব আৰু শিল্প-সাধনা আৰু প্ৰশাসনীয় কৰ্মত নিয়োজন আদি কাৰণত অসমলৈ অহা মুছলমানসকলেৰে এই জাতি গঢ়ি উঠিছিল। আহোম স্বৰ্গদেউসকলৰ দিনত এওঁলোক পাইক ব্যৱস্থাৰ ভিতৰত থাকি শিল্প আৰু কৃষি উৎপাদন কৰ্মত নিয়োজিত হৈছিল। এইদৰে বিভিন্ন জনগোষ্ঠী আৰু বিভিন্ন ধৰ্মবিশ্বাসৰ লোকে আহোম যুগৰ অসমত বসবাস কৰিছিল আৰু ৰাষ্ট্ৰযন্ত্ৰৰ পৃষ্ঠপোষকতাত কেউফালে জনজাতিসকলক হিন্দুধৰ্মৰ ভিতৰোৱা কৰা প্ৰক্ৰিয়া এটা চলি আছিল। বিশেষকৈ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত জনজাতিসকল হিন্দু সমাজৰ অন্তৰ্গত হোৱা প্ৰক্ৰিয়াটো আহোম যুগৰ শেষলৈকে চলি আছিল।

ৰাজ্যৰ সৰ্বাধিক সংখ্যক লোক আছিল কৃষক-কাৰিকৰ। এওঁলোকেই পাইক আছিল। অৰ্থনৈতিকভাৱে এই শ্ৰেণীটোৱেই আছিল অতিশয় দুৰ্বল আৰু শোষিত; কিন্তু, তেওঁলোক আছিল ৰাজ্যখনৰ ধৰণীস্বৰূপ।

এইদৰেই অসমীয়া সমাজখনত বহুগোষ্ঠীৰ দ্বাৰা বহুত্ববাদী এখন সমাজ ব্যৱস্থা গঢ়ি উঠিছিল। অৱশ্যে, তেওঁলোক সকলোৰে মাজত থকা পাৰস্পৰিক সহানুভূতিশীলতা, শ্ৰদ্ধা, এৰা-ধৰা নীতিয়ে অসমীয়া সমাজখনক নতুন ৰূপত 'অনৈক্যৰ মাজত ঐক্য' সমাজ হিচাপে প্ৰতিষ্ঠা কৰিছিল।

## জানিবলগীয়া তথ্য

- সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলটোকে এটা 'নৃ-তাত্ত্বিক যাদুঘৰ' বুলি ক'ব পৰা হয়।
- দক্ষিণ-পূব এছিয়া, দক্ষিণৰ সাগৰীয় ঠাইসমূহ আৰু ভাৰতৰ অন্যান্য ঠাইৰপৰা যুগে যুগে উত্তৰ-পূৰ্বাঞ্চললৈ জন-প্ৰব্ৰজন হৈ আহিছে।
- নগা আৰু মিকিৰ (কাৰ্বি) জনজাতিৰ কোনো কোনো শাখা এই অষ্ট্ৰ-এছিয়াটিকসকলৰে বংশধৰ বুলি বহুতো নৃ-তত্ত্ববিদে ধাৰণা কৰে।
- উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ অধিক সংখ্যক লোকেই মংগোলীয় গোষ্ঠীৰ ইন্দো-চীন ফৈদৰ তিব্বত-বৰ্মী শাখাৰ লোক।
- বড়ো, কোঁচ, কছাৰী, মৰাণ, মটক, চুতীয়া, বৰাহী, ৰাভা, মেচ, টিৱা, হাজং, মিচিং, আদি, আপাতনি আদি এই গোষ্ঠীৰ লোক।
- মংগোলীয়সকলক দুটা বহল ভাগত ভগাব পাৰি ঃ (ক) উত্তৰ অসমৰ ভাগ আৰু (খ) অসম-ব্ৰহ্ম ভাগ।
- উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসকলৰ প্ৰত্যেকৰে নিজা নিজা ভাষা আছিল আৰু এই সকলো বিলাকেই আছিল অনাৰ্য ভাষা।

- ত্ৰয়োদশ শতিকাৰ কানাই বৰশীবোৱা শিলৰ ফলিত ব্যৱহাৰ কৰা আখৰখিনিয়েই অসমীয়া ভাষাৰ প্ৰাতঃকালৰ ব্যৱহৃত লিপি।
- পাইক প্ৰথাই আহোম ৰাজ্যত শ্ৰম যোগানৰ ব্যৱস্থা কৰিছিল।
- ১৬০৯ খ্ৰীঃত পোন প্ৰথমে স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত মোমাই তামুলী বৰবৰুৱাই সাংগঠনিক ৰূপত পাইক প্ৰথাৰ প্ৰৱৰ্তন কৰে।
- 'কাঁড়ী' আৰু 'চমুৱা'— এই দুটা ভাগত পাইকক ভাগ কৰা হৈছিল।
- 'পাইক' আৰু 'দাস'সকল একে নাছিল।
- হিন্দু বৰ্ণ ব্যৱস্থাৰ ভিতৰুৱাসকলৰ ভিতৰত উচ্চ আসন বা পদবী লাভ কৰাসকলৰ ভিতৰত অন্যতম আছিল— ব্ৰাহ্মণ, কায়স্থ, গণক আৰু কলিতাসকল।
- ৰাজ পৰিয়ালৰ বংশধৰসকলহে প্ৰাথমিক পৰ্যায়ত হিন্দুধৰ্মৰ ভিতৰোৱা হৈ শিক্ষাই-দীক্ষাই আগ বাঢ়িছিল।

## অনুশীলনী

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ**

১। (ক) তাবাকাৎ-ই-নাচিৰীৰ লেখক কোন?

(খ) কোনবোৰ পথেৰে মংগোলীয় সকলে কামৰূপত প্ৰৱেশ কৰিছিল?

(গ) পাইক প্ৰথা কোনে প্ৰৱৰ্তন কৰিছিল?

(ঘ) পাইকৰ ভাগ দুটা কি কি?

২। উত্তৰ-পূৰ্বাঞ্চলত সংঘটিত হোৱা জন প্ৰব্ৰজনৰ এক সম্যক ধাৰণা দিয়া।

৩। জাতি গঠন প্ৰক্ৰিয়াত মংগোলীয়সকলৰ অৱদান সম্পৰ্কে এক টোকা প্ৰস্তুত কৰা।

৪। কামৰূপলৈ ভাৰতীয় সংস্কৃতিৰ আগমনে কেনেধৰণৰ পৰিৱৰ্তন আনিছিল আলোচনা কৰা।

৫। পাইক ব্যৱস্থা কি? মধ্যযুগৰ কৃষিভিত্তিক সমাজ ব্যৱস্থাত এই সংগঠনৰ আৱশ্যকীয়তা কেনে আছিল লিখা।

●●●